VICTIM OF TRAFFICKING RECOVERED FROM GHAZIABAD: FATHER MET HIS DAUGHTER AFTER 4 YEARS OF RUNNING FROM PILLAR TO POST.

A news item appeared in the Assamese Daily '***Amar Asom***' dated: **05.04.2018** regarding trafficking of a minor girl from Bharat Nagar under Kachugaon Police Station, district Kokrajhar on 10th March, 2014.

Based on the aforesaid news item, the Assam State Legal Services Authority (ASLSA) immediately communicated the matter to the District Legal Services Authority (DLSA), Kokrajhar for doing the needful.

In response to ASLSA's communication, the DLSA, Kokrajhar had contacted the concerned Authorities and the matter was taken up by the police with all seriousness. The Secretary, DLSA, Kokrajhar then called for a report from the O/C, Kachugaon P/S for finding out the actual status of the case.

As per the news report, the victim at time of the incident was 15 years old and was going to school when she was reported missing. The father of the victim then reported the matter to the Kachugaon Police Station and got the case registered.

The report submitted by the **O/C Kachugaon P/S** to DLSA, Kokrajhar against **P/S Case No. 12/18 U/S 363 IPC** (*FIR Lodged on 6.8.2014. by the victim's father)* mentions about the statements made by the complainant and witnesses, which state that the victim was in Ghaziabad and she has been married with a 2 years old child. And since her husband is poor and works as a daily wage earner, the victim is unable to come to Assam to meet her parents.

In consequence to the proactive role played by the DLSA, Kokrajhar, the Assam Police after preliminary investigation confirmed her whereabouts and decided to send a team to Ghaziabad, where she was believed to be staying for the last four years. A team of police personnel along with the father of the victim went to Ghaziabad and recovered girl was along with her 2 year old child.

# কচুগাঁৱৰ সন্ধানহীন নাবালিকাই দিন পাৰ কৰিছে গাজিয়াবাদত নৰক-যন্ত্ৰণাৰ মাজত

কোকৰাঝাৰৰ বিশেষ প্ৰতিনিধি, ৪ এপ্ৰিল ঃ শিশুৰ নিৰাপত্তা আৰু সুৰক্ষাৰ বাবে চৰকাৰে বহুত আইন প্ৰণয়ন কৰিছে যদিও কাৰ্যক্ষেত্ৰত উক্ত আইন কিমানখিনি কাৰ্যকৰী হৈছে সেয়া লক্ষণীয় হৈ পৰিছে। যাৰ ফলত চাৰি বছৰ পূৰ্বে সন্ধানহীন হোৱা ১৪ বছৰীয়া নাবালিকা এগৰাকীয়ে গাজিয়াবাদত নৰক যন্ত্ৰণাৰে পাৰ কৰিবলগীয়া হৈছে শৈশৱৰ ৰঙীন দিনবোৰ। প্ৰাপ্ত তথ্য মতে, ২০১৪ চনৰ দহ মাৰ্চৰ দিনা কচুগাঁও থানাৰ ভৰতনগৰ নিবাসী ৰেণ্টা বেশ্ৰাৰ পোন্ধৰ বছৰীয়া কন্যা চামেলী বেশ্ৰা স্কুললৈ বুলি ঘৰৰ পৰা ওলাই যোৱাৰ পিছত সন্ধানহীন হৈ পৰে। সেইমৰ্মে কচুগাঁও পাব্লিক হাইস্কুলৰ নৱম শ্ৰেণীৰ ছাত্ৰী চামেলী সন্ধিয়ালৈ ঘৰলৈ উভতি নহাত ঘৰৰ মানুহে বিভিন্ন ঠাইত বিচাৰ-খোঁচাৰ কৰে যদিও কোনো সম্ভেদ উলিয়াব নোৱাৰিলে। সেই সন্দৰ্ভত ৰেণ্টা বেশ্ৰাই স্থানীয় কচুগাঁও থানাতো যোগাযোগ কৰে যদিও কোনো সঁহাৰি নাপায়। ইয়াৰ পিছতে ৰেণ্টা বেশ্ৰাৰ পৰিয়ালে জানিব পাৰে যে গাঁৱৰে কাইন হাসদা আৰু সুকুৰমণি হাসদাই তেওঁলোকৰ নাবালিকা কন্যা চামেলীক লৈ গৈছে। ২০১৪ চনৰ চাৰি আগষ্টত পুৱা হঠাতে চামেলীয়ে ৯১৯৬৭৫৩৮১৬৩৬ নম্বৰৰ পৰা ঘৰলৈ ফোন কৰাত ৰেণ্টা বেশ্ৰাই ছয় আগষ্টত লিখিত আবেদন যোগে কচুগাঁও আৰক্ষীক অৱগত কৰে। কিন্তু দুৰ্ভাগ্যজনকভাৱে কচুগাঁও আৰক্ষীয়ে কোনো তদন্তই নকৰিলে। ইয়াৰ পিছত পৰৱৰ্তী সময়ত চামেলীয়ে ক্ৰমে ৮৯৫৪২৪৫৩৫৫/ ৮১২৬৭৮৪০১৬ আৰু ৮৯৭৯৮৭৪৪৩৮ নম্বৰৰ পৰা ঘৰলৈ ফোন কৰি আহিছে যদিও দুৰ্ভগীয়া ৰেণ্টা বেশ্ৰাই তেওঁৰ কন্যাক উদ্ধাৰৰ বাবে কোনো পথ দেখা নাপাই হতাশ হৈ পৰিছে। বিগত ১৯ ছেপ্টেম্বৰত ৰেণ্টা বেশ্ৰাই কচুগাঁও থানাৰ কন্যা চামেলীক উদ্ধাৰৰ বাবে পুনৰ লিখিত আবেদন জনায় যদিও আজিলৈ কোনো সঁহাৰি পোৱা নাই। পৰিয়ালৰ লোকে নিজাৰবীয়াকৈ উক্ত ফোন নম্বৰটোত ফোন কৰি চামেলীৰ সৈতে যোগাযোগ কৰাত প্ৰায় পোন্ধৰ দিন পূৰ্বে উক্ত ফোন নম্বৰকেইটা গাজিয়াবাদ জিলাৰ ব্ৰীজ বিহাৰ থানাৰ অন্তৰ্গত মৰথ নগৰৰ বুলি জানিব পাৰে।

52% 8:08 a.m.
Amarasom2018-04-22Amarasom
amarasom.glpublications.in

সন্ধানহীন

পৰিদৰ্শক সঞ্জীৱ কুমাৰ দাসে জানিবলৈ দিয়া মতে ইতিমধ্যে যুৱতীগৰাকীৰ সন্ধানত সৰভোগ থানাই তদন্ত আৰম্ভ কৰিছে। ইপিনে, প্ৰায় এসপ্তাহ ধৰি সন্ধানহীন হৈ থকা যুৱতীগৰাকীক কোনো দুষ্ট চক্ৰই অপহৰণ কৰিলে নে আন কিবা কাৰণত ঘৰৰ পৰা ওলাই গ'ল তাক লৈ চিন্তিত হৈ পৰিছে পৰিয়ালৰ লোক।

আঞ্চলিকে এই বছৰ সম্বৰ্ধনা জনোৱা ব্যক্তিসকল হৈছে বিশিষ্ট সাহিত্যিক, কবি জয়গোবিন্দ শইকীয়া, জ্যেষ্ঠ সাংবাদিক, ঔপন্যাসিক বাণীকান্ত শইকীয়া, ভাস্কৰ্য শিল্পী পীতবাম বৰা, কবি-গীতিকাৰ ৰামচন্দ্ৰ গোস্বামী, সাহিত্যিক-সমালোচক তোযেশ্বৰ তামুলী ফুকন আৰু জ্যেষ্ঠ অধিবক্তা ভাৰত তামুলী ফুকন।

# চাৰিটা বছৰে গাজিয়াবাদত নৰক যন্ত্ৰণাত দিন পাৰ কৰা কচুগাঁৱৰ নাবালিকাক উদ্ধাৰ

**কোকৰাঝাৰৰ বিশেষ প্ৰতিনিধি, ২১ এপ্ৰিল ঃ** 'আমাৰ অসম'ত প্ৰকাশিত বাতৰিৰ ভিত্তিত অৱশেষত কোকৰাঝাৰৰ পৰা যোৱা আৰক্ষীৰ এটা দলে ২০১৪ চনৰ পৰা কচুগাঁৱৰ সন্ধানহীন নাবালিকাগৰাকীক উদ্ধাৰ কৰিবলৈ সক্ষম হয়। উল্লেখ্য, ২০১৪ চনৰ ১০ মাৰ্চত কচুগাঁৱৰ ভৱতনগৰৰ বেণ্টা বেশ্ৰাৰ নাবালিকা কন্যা চামেলি স্কুললৈ যোৱাৰ পথত সন্ধানহীন হৈছিল। উক্ত বছৰৰে আগষ্ট মাহৰ পৰা উত্তৰ প্ৰদেশৰ গাজিয়াবাদত নৰক যন্ত্ৰণাৰে দিন পাৰ কৰা চামেলিয়ে বিভিন্ন ফোনৰ জৰিয়তে ঘৰৰ লগত যোগাযোগ কৰি উদ্ধাৰৰ বাবে আহ্বান জনোৱাৰ লগতে একে গাঁৱৰে কাইন হাসদা আৰু চুকুৰমণি হাসদাই তাইক বিক্ৰী কৰি দিয়াৰ কথাও জনাই আহিছিল। কিন্তু দৰিদ্ৰ পৰিয়ালটোৱে চামেলিক উদ্ধাৰৰ বাবে আৰক্ষীৰ পৰা কোনো সহায়-সহযোগ নাপাই বিমৰ্ষ হৈ পৰিছিল। 'আমাৰ অসম'ৰ চাৰি এপ্ৰিলৰ সংখ্যাত উক্ত বাতৰি প্ৰকাশ পোৱাৰ পিছতে কোকৰাঝাৰ আৰক্ষীৰ গা লৰে। আৰক্ষীয়ে অনুসন্ধান চলায়। চামেলিক ফুচুলাই নি বিক্ৰী কৰা চুকুৰমণিক আটক কৰাত সকলো তথ্য পোহৰলৈ আহে। পিছত গাজিয়াবাদত নৰক যন্ত্ৰণাৰে দিন পাৰ কৰা চামেলিক সন্তানসহ আৰক্ষীয়ে উদ্ধাৰ কৰে। উল্লেখ্য, 'আমাৰ অসম'ৰ উক্ত বাতৰি প্ৰকাশৰ পিছতে কোকৰাঝাৰ জিলা ন্যায়িক প্ৰাধিকৰণৰ সম্পাদক বহ্নিদীপ ভট্টাচাৰ্যই বিষয়টো সন্দৰ্ভত বিশেষ গুৰুত্ব প্ৰদান কৰে। তেওঁ আৰক্ষী অধীক্ষকৰ স'তে যোগাযোগ কৰি চামেলিক উদ্ধাৰৰ আহ্বান জনায়। সেইমৰ্মে প্ৰাথমিক তদন্তৰ শেষত কোকৰাঝাৰ আৰক্ষীৰ এটা দলে চামেলিৰ পিতৃক লৈ গাজিয়াবাদলৈ গৈ সুদীৰ্ঘ চাৰি বছৰৰ অন্তত চামেলিক উদ্ধাৰ কৰিবলৈ সক্ষম হয়।